জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২৪/২০২১

# যোৰহাট কেন্দ্ৰীয় কাৰাগাৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## শ্বহীদ কুশল কোঁৱৰক ফাঁচী দিয়া স্থলী, বিশিষ্ট মুক্তিযোদ্ধা পীতাম্বৰ দেৱগোস্বামীক বন্দী কৰি ৰখা কোঠা পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

## ঐতিহ্যমণ্ডিত যোৰহাট কেন্দ্ৰীয় কাৰাগাৰক এক ঐতিহ্য ক্ষেত্ৰ হিচাপে সংৰক্ষণ কৰিব ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ঐতিহাসিক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰ পৰিদৰ্শন কৰি কাৰাগাৰ কৰ্তৃপক্ষ তথা কাৰবান্দীসকলৰ সৈতে মত-বিনিময় কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কাৰাগাৰখনত ১৯৪৩ চনৰ ১৫ জুনত মৃত্যুদণ্ড বিহা শ্বহীদ কুশল কোঁৱৰক ফাঁচী দিয়া স্থলী পৰিদৰ্শন কৰাৰ লগতে উক্ত স্থানত বন্তি প্ৰজ্বলন কৰি শ্বহীদ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে উক্ত কাৰাগাৰখনত স্বাধীনতা সংগ্ৰামৰ সময়ত মুক্তিযোদ্ধা পীতাম্বৰ দেৱগোস্বামীক বন্দী কৰি ৰখা কোঠাটোও পৰিদৰ্শন কৰে।

উল্লেখ্য যে পূৰ্বতে যোৰহাট জিলা কাৰাগাৰ হিচাপে জনাজাত যোৰহাট কেন্দ্ৰীয় কাৰাগাৰ ১৯১১ চনত বৃটিছ শাসকসকলে মুকলি কৰিছিল। এই কাৰগাৰখনত স্বাধীনতা সংগ্ৰামৰ সময়ত বিশিষ্ট মুক্তিযোদ্ধা পীতাম্বৰ দেৱগোস্বামী, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা স্বাধীনতা সংগ্ৰামী ফখৰুদ্দিন আলী আহমেদ, বিশিষ্ট মুক্তি যোদ্ধা তথা অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ, প্ৰাক্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, স্বাধীনতা সংগ্ৰামী অমিয় কুমাৰ দাস, বিজয় ভাগৱতী, কামাখ্যা ত্ৰিপাঠীৰ দৰে বৰেণ্য ব্যক্তিসকলক বন্দী কৰি ৰখা হৈছিল। এই কাৰাগাৰখনতে বন্দীত্বৰ জীৱন কটাই থকাৰ সময়ত স্বাধীনতা সংগ্ৰামী বেজা বাউৰী আৰু কমলা মিৰিয়ে ইহলীলা সম্বৰণ কৰিছিল। স্বাধীনতা সংগ্ৰামী শ্বহীদ কুশল কোঁৱৰকো এই কাৰাগাৰখনতে বৃটিছে ফাঁচী কাঠত ওলোমাই মৃত্যুদণ্ড বিহিছিল।

পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় কাৰাগাৰ চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতা দিৱসৰ ভাষণত উল্লেখ কৰা ধৰণে ৰাজ্য চৰকাৰে বৰ্তমানৰ যোৰহাট কেন্দ্ৰীয় কাৰাগাৰখন জিলাখনৰ অন্য ঠাইলৈ স্থানান্তৰিত কৰি ইয়াক এক ঐতিহ্যমণ্ডিত স্থান হিচাপে সংৰক্ষণ কৰিব। ৩৭০ বিঘা ভূমি সামৰি থকা এই ঐতিহ্যমণ্ডিত কাৰাগাৰখনৰ ১০০ বিঘা ভূমিত ৰাজ্য চৰকাৰে এক ঐতিহ্য ক্ষেত্ৰ হিচাপে সংৰক্ষণ কৰিব। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ অৰ্থাৎ ‘আজাদী কা অমৃত

মহোৎসৱ'ৰ এই শুভক্ষণত স্বাধীনতা সংগ্ৰামী তথা শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে এই কাৰাগাৰখন ঐতিহ্যৰ স্থান হিচাপে সংৰক্ষণৰ ব্যৱস্থা লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**প্ৰঃকুঃবঃ**

**১৯/০৮/২০২১**